# 2019

## ASSAMESE

## ( Major )

Paper : 5.1

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×৭=৭

(ক) চাকিয়াৰ ভাৰতৰ কোনটো লোকনাট্যানুষ্ঠানৰ মুখ্য চৰিত্ৰ ?

(খ) বিবাহৰ উদ্দেশ্যে শিশুপাল কুণ্ডিলত উপস্থিত হোৱাৰ বতৰা ৰুক্মিণীক কোনে প্ৰদান কৰিছিল ?

(গ) 'অৰ্জুন ভঞ্জন' নাটৰ সামৰণিত থকা গীতটোৰ ৰাগৰ নাম উল্লেখ কৰা।

(ঘ) "সোহি ঋষিআজ্ঞা পালিয়ে হামু সন্নাস ধৰ্ম আচৰবো।" ইয়াত উল্লেখিত ঋষিগৰাকী কোন ?

(ঙ) 'জন্মযাত্ৰা' নাটত উল্লেখিত বসুদেৱ-দৈৱকীৰ বিবাহত পৌৰহিত্য কৰা মুনিগৰাকীৰ নাম কি ?

(চ) 'বন্দুলি অধিক অধৰ কৰু কান্তি'—বন্দুলি আৰু অধৰ শব্দৰ অৰ্থ লিখা।

(ছ) 'সংস্কৃত' নাটত ভৰতবাক্য কোনে পাঠ কৰে?

২। *এটা* বা *দুটা* বাক্যত তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া : ২×৪=৮

(ক) মাধৱদেৱৰ নাট্যৰীতিৰ দুটা বিশেষত্ব উল্লেখ কৰা।

(খ) "যুৱত মোহিনী কন্যা পদুমিনী মাই।
কৈছে ৰহত এথা প্ৰয়োজন নাই।"

এই গীতফাঁকিত উল্লেখিত 'পদুমিনী মাই' কোন? 'কৈছে ৰহত এথা' বুলি কোনে, কাক কৈছে?

(গ) গোপালদেৱে 'জন্মযাত্ৰা' নাটৰ পৰিপূৰক হিচাপে ৰচনা কৰা নাটখন কি? দুয়োখন নাট ৰচনাৰ ক্ষেত্ৰত তেওঁ শঙ্কৰদেৱৰ কি গ্ৰন্থৰ ওপৰত নিৰ্ভৰ কৰিছে?

(ঘ) "হে পিতা স্বস্থ হব, তোহাৰ ব্যৱহাৰ নোহে নোহে।"

উক্ত কথাখিনি কোনে, কাক কৈছে?

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো **তিনিছোৰা**) : ৫×৩=১৫

(ক) আবকত কৰতল মাজিত লোবে।
মন্দ ৰোদন কৰু নৱনীত চোবে॥
নৱনীত কণা শ্যাম অংগে বিৰাজে।
তাৰকগণ যৈচে গগনকু মাজে॥

(খ) হে পৰম ঈশ্বৰ, তোহো পৰম কাৰণ, পৃথিৱীৰ ভাৰ হৰণ নিমিত্তে হামাৰ গৃহে বেকত ভেলি, দুষ্টক দণ্ডি সন্তক পালি ধৰ্মপথ ৰক্ষা কৰব॥





(গ) হৰি হৰি কিনা ভেলি ৰাজকুমাৰী।
কমল নয়ন পুৰি বাৰি জুৰাৱত
ঘন ঘন ফোকাৰে মূৰাৰি॥

(ঘ) আহে কংস নিশ্চল হামাক মাৰিতে চাৱ; তোহো অধোগতি যাৱব, দুখুনী দৈৱকীক ব্যৰ্থে হিংসা কৰহ, তোহাৰি প্ৰাণবৈৰী যি ঠাই সি ঠাই জনম ধৰয়॥

(ঙ) ষড়ৰস অন্ন বিছুৰি একৰূপ বিনাৰে ৰাম ভগিনী।
কমল নয়নী সুবদনীধুনী অলককুলশোভনী॥
মৌতিম দশনী মধ্যখিনী বাণী চৰণে নূপুৰ ধ্বনি।
যুৱজন মনমোহিনী ৰমণী তৰুণী গজগামিনী॥

৪। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো **তিনিটা**) : ১০×৩=৩০

(ক) 'অংকীয়া নাটৰ ভাষা' শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰা।

(খ) নাটকৰ পঞ্চসন্ধি বুলিলে কি বুজা? 'ৰুক্মিণী হৰণ' নাটত পঞ্চসন্ধি কিদৰে দেখুৱাব পাৰি সেই সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা।

(গ) 'অৰ্জুন ভঞ্জন' নাটৰ অন্য এটা নাম 'দধিমথন' যদিও নাটখনিৰ 'অৰ্জুন ভঞ্জন' নামটো কিয় অধিক গ্ৰহণযোগ্য, যুক্তিসহকাৰে বিচাৰ কৰা।

(ঘ) 'জন্মযাত্ৰা' নাটৰ আলমত গোপালদেৱৰ নাট্যকৃতি সম্পৰ্কে আলোচনা কৰা।

(ঙ) শংকৰোত্তৰ যুগৰ অংকীয়া নাটৰ বিশেষত্ব বিচাৰ কৰি 'সুভদ্ৰা হৰণ' নাটে এনেবোৰ বিশেষত্ব কিমানখিনি সামৰি লৈছে, আলোচনা কৰা।

(চ) মাধৱদেৱৰ 'অৰ্জুন ভঞ্জন' নাটৰ মূল কি? নাটখনিৰ কাহিনীবিন্যাস আৰু চৰিত্ৰ সৃষ্টিত নাট্যকাৰৰ মৌলিকতা কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

★★★

# 2019

## ASSAMESE

## ( Major )

Paper : 5.2

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। *এটা* শব্দ বা বাক্যত উত্তৰ লিখা : ১×৭=৭

(ক) 'অদ্ভূত ৰামায়ণ'ৰ ৰচক কোন?

(খ) ভীষ্মক কোনখন ৰাজ্যৰ ৰজা আছিল?

(গ) "হে কৌন্তেয়, ইন্দ্ৰিয়সমূহৰ লগত বিষয়ৰ সহযোগ হ'লে শীত-তাপ সুখ-দুখ আদিৰ বোধ জন্মে"—ইয়াত 'কৌন্তেয়' শব্দই কাক বুজাইছে?

(ঘ) 'গুৰু-সেৱা মাহাত্ম্য' পাঠটোৰ আধাৰ-গ্ৰন্থ কি?

(ঙ) ৰংপুৰ নগৰ কোনে নিৰ্মাণ কৰিছিল?

(চ) ত্ৰিপুৰা ৰজাই মোট খেলিবলৈ কোনখন নদীলৈ গৈছিল?

(ছ) দাৰুক কোন আছিল?

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) 'গুৰু-সেৱা মাহাত্ম্য' পাঠটোত উল্লেখ থকা মতে গুৰু আৰু ভকতৰ প্ৰধান লক্ষণসমূহ কি কি?

(খ) ৰুদ্ৰসিংহই তেওঁৰ শাসনকালত সম্পন্ন কৰা যি কোনো দুটা জনহিতকৰ কামৰ উদাহৰণ দিয়া।

(গ) ত্ৰিপুৰা ৰাজ্যলৈ যোৱা আহোম ৰজাৰ কটকী দুগৰাকী কোন কোন আছিল?

(ঘ) "সতিনীৰ চেড়িতো অধিক ভৈলি"—কথাষাৰ কোনে, কি প্ৰসংগত কৈছিল, লিখা।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) কি কি কাৰণত ভট্টদেৱক অসমীয়া গদ্য সাহিত্যৰ পথ-প্ৰদৰ্শক বুলি অভিহিত কৰা হয়? যুক্তি দৰ্শোৱা।

(খ) যুদ্ধক্ষেত্ৰলৈ আহি অৰ্জুনে কিয় যুদ্ধ নকৰোঁ বুলি ধনুশৰ এৰি বহি পৰিছিল, চমুকৈ লিখা।

(গ) "সৰ্ব্বকালে গোহাঞিবোৰৰ এনেহে কথা"—ৰুদ্ৰসিংহই কথাষাৰ কাক উদ্দেশ্য কৰি কৈছিল আৰু কিয় ক'বলগীয়া হৈছিল, বুজাই লিখা।

(ঘ) শ্ৰীকৃষ্ণলৈ ৰুক্মিণীয়ে লিখা পত্ৰখনৰ মূল কথাখিনি চমুকৈ নিজৰ ভাষাৰে লিখা।

(ঙ) 'শ্ৰীযুত ব্ৰাওন চাহাবৰ পত্ৰ'ৰ আধাৰত 'অৰুণোদই'ৰ গদ্যৰীতিৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা।





৪। (ক) 'ৰামৰ বন গমন' পাঠটোৰ আলমত ৰাম চৰিত্ৰৰ মহানুভৱতা কেনেদৰে প্ৰকাশ পাইছে, ব্যাখ্যা কৰা। ১০

*নাইবা*

(খ) 'ত্ৰিপুৰাত মদন পূজাৰ আড়ম্বৰ আৰু মোট খেলাৰ কৌতুক'—পাঠৰ আলমত ত্ৰিপুৰাৰ মদন পূজা আৰু মোটখেল সম্পৰ্কে এটি আলোচনা যুগুত কৰা। ১০

৫। (ক) 'গুৰু-সেৱা মাহাত্ম্য' পাঠটোৰ লেখক কোন? পাঠটোৰ মূল কথাখিনি চমুকৈ লিখা। ১০

*নাইবা*

(খ) 'শ্ৰীযুত ব্ৰাওন চাহাবৰ পত্ৰ'খন প্ৰথমে ক'ত প্ৰকাশ হৈছিল? পত্ৰখনৰ যোগেদি শ্ৰীযুত ব্ৰাওন চাহাবৰ ব্যক্তিত্ব আৰু চিন্তাৰ কোনবোৰ দিশ প্ৰতিফলিত হৈছে, বৰ্ণনা কৰা। ১০

৬। (ক) 'শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ' পাঠটোৰ আধাৰত শংকৰদেৱৰ অংকীয়া নাটৰ গদ্যৰীতি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১০

*নাইবা*

(খ) অসমীয়া গদ্য সাহিত্যৰ ইতিহাসত বুৰঞ্জীৰ গদ্যৰ স্থান নিৰ্ণয় কৰি বুৰঞ্জীৰ গদ্যৰ বৈশিষ্ট্যপূৰ্ণ দিশসমূহ উল্লেখ কৰা। ১০

★★★

## 2019

## ASSAMESE

### ( Major )

Paper : 5.3

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। *এটা* শব্দ বা বাক্যত উত্তৰ লিখা : ১×৭=৭

(ক) অসমত কেতিয়াৰ পৰা 'ব্ৰজাৱলী' শব্দটো প্ৰচলিত হয়?

(খ) 'উজ্জ্বলনীলমণি'ত ৰূপ গোস্বামীয়ে নায়িকাক কেইটা ভাগত ভগাইছে?

(গ) 'সঙ্গীত মাধৱ' নাটকখন কোনগৰাকী বৈষ্ণৱ কবিয়ে ৰচনা কৰিছিল?

(ঘ) মহাপুৰুষ মাধৱদেৱ বিৰচিত 'চিৰন্তন মাতৃ' বৰগীতটিত কি ৰাগ ব্যৱহাৰ কৰা হৈছে?

(ঙ) জ্ঞানদাসৰ ৰাধাৰ এটি বৈশিষ্ট্য লিখা।

(চ) বিদ্যাপতিৰ 'লিখনাৱলী' কি বিষয়ক গ্ৰন্থ?

(ছ) "গোকুলক মঙ্গল দূৰ গয়ো নাহি
বাজত বেণু বিষাণ॥"

উল্লিখিত কবিতাংশত থকা 'বিষাণ' শব্দটোৰ অৰ্থ কি?

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) শংকৰদেৱ-মাধৱদেৱৰ বৰগীতৰ লগত আন বৈষ্ণৱ গীতাৱলীৰ এটিকৈ সাদৃশ্য আৰু বৈসাদৃশ্য উল্লেখ কৰা।

(খ) 'পহিলহি ৰাগ নয়ন-ভঙ্গ ভেল'—শীৰ্ষক গীতটো কোনে, কাৰ আগত গাই শুনাইছিল?

(গ) "দুহুঁ দুহুঁ পুছইতে দুহুঁ মতি ৰাম।
দুহুঁ সে কহল নিজ সহচৰী নাম॥"

উল্লিখিত কবিতাংশ কোনটো কবিতাৰ পৰা উদ্ধৃত কৰা হৈছে আৰু কবিতাটোৰ কবিগৰাকী কোন?

(ঘ) শংকৰদেৱৰ প্ৰথম বৰগীতটো কি আৰু ক'ত ৰচনা কৰিছিল?

৩। ব্যাখ্যা কৰা (যি কোনো **তিনিছোৰা**) : ৫×৩=১৫

(ক) কুলিস সত সত পাত মুদিত
ময়ূৰ নাচত মাতিয়া।
মত্ত দাদুৰ ডাক ডাহুক
ফাটি জাৱত ছাতিয়া॥

(খ) ললিতাদি সখী মিলি মংগল হুলাহুলি
শ্যাম-দৰশ-ৰস-আশে।
দুহ দুহ হেৰইতে গুহু চিত পুলকিত
বলি হাৰি গোৱিন্দদাসে॥





(গ) পুত পুত বুলি আশ্বেৰে মোচল
শ্যাম শৰীৰক ধূলি।
মেৰা বাবু বুলি হীৰ পিয়াৰত
বাহু মেলি কোলে তুলি॥

(ঘ) জব নিশি বাহিৰে পয়ান।
শীকৰে নিকলে পৰাণ॥
দিনকৰ দিবস উপেখি।
অলিকুল কমলে না পেখি॥

(ঙ) চান্দ বিনে ৰয়নী সজনি কিছু নোহে।
হৰি বিনে বিৰিন্দা-বিপিন নাহি সোহে॥

৪। (ক) ব্ৰজবুলি বা ব্ৰজাৱলী ভাষাৰ বৈশিষ্ট্য বিচাৰ কৰি অসম, উৰিষ্যা আৰু বঙ্গৰ মধ্যযুগৰ কবিসকলে এই ভাষাৰে গীত-পদ ৰচনা কৰাৰ কাৰণসমূহ বিশ্লেষণ কৰা। ১০

*অথবা*

(খ) "অসম এৰি আন প্ৰদেশৰ ব্ৰজবুলি গীতৰ এটি বিশেষ বিশেষত্ব নায়িকাভেদৰ ৰূপ স্পষ্টভাৱে প্ৰকট হৈ উঠাটো।" তোমাৰ পাঠ্যাংশৰ আধাৰত উক্ত অভিমতৰ যথাৰ্থতা বিচাৰ কৰা। ১০

৫। (ক) তোমাৰ পাঠ্যত থকা শংকৰদেৱ আৰু ৰামানন্দৰ 'মাথুৰ-বিৰহ'-বিষয়ক কবিতাৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) 'ব্রজবুলি-গীতি-গুচ্ছ'ৰ অন্তৰ্ভুক্ত তোমাৰ পাঠ্যাংশৰ আধাৰত গীতবোৰৰ মাজেৰে ভগৱদ-ভক্তিৰ অভিব্যক্তি গীতিকাৰসকলে কিদৰে প্ৰকটিত কৰিছে, আলোচনা কৰা। ১০

৬। (ক) 'ব্রজবুলি-গীতি-গুচ্ছ'ৰ তোমাৰ পাঠ্যক্ৰমৰ অন্তৰ্গত গীতবোৰৰ মাজেৰে ৰাধাৰ চৰিত্ৰ অঙ্কনত কবিসকলৰ কি বৈচিত্ৰ্য লক্ষ্য কৰা যায়, বিচাৰ কৰা। ১০

*অথবা*

(খ) ব্ৰজবুলি সাহিত্যত নায়িকাভেদৰ চিত্ৰ কেনেদৰে অংকিত হৈছে, তোমাৰ পাঠ্য কবিতাৰ পৰা উদাহৰণ দি যি কোনো দুই প্ৰকাৰৰ নায়িকাৰ লক্ষণ আৰু স্বৰূপ সম্পৰ্কে আলোচনা কৰা। ১০

* * *

# 2019

## ASSAMESE

### ( Major )

Paper : 5.4

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৭=৭

(ক) প্ৰবৰ সেন বিৰচিত প্ৰাকৃত মহাকাব্যখনৰ নাম কি?

(খ) 'ধম্মপদ'ত মুঠ কিমানটা বগ্‌গ আছে?

(গ) 'বুদ্ধচৰিত'ৰ ৰচকজন কোন?

(ঘ) 'প্ৰাকৃত প্ৰকাশ' কি বিষয়ক গ্ৰন্থ?

(ঙ) 'বড্‌ডকহা'ৰ সংস্কৃত নাম কি?

(চ) হেমচন্দ্ৰ বিৰচিত প্ৰাকৃত ব্যাকৰণখনৰ নাম কি?

(ছ) প্ৰাকৃত ভাষাৰ স্বৰধ্বনি কেইটা?

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) অপভ্ৰংশ ভাষাৰ দুটা উপভাষাৰ নাম লিখা।

(খ) সাৰিপুত্ৰ প্ৰকৰণ কোনে, কি ভাষাত ৰচনা কৰিছিল?

(গ) বৌদ্ধধৰ্মৰ চতুৰাৰ্য সত্য কি কি?

(ঘ) আব্দুল ৰহমানে 'সন্দেশ-ৰাসক'ত কিমানটা গাথা আৰু কেইপ্ৰকাৰৰ ছন্দ সন্নিৱিষ্ট কৰিছে?

৩। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ কৰিবা : ৫×৩=১৫

(ক) তোমাৰ পাঠ্যৰ আধাৰত 'কৰ্পূৰমঞ্জৰী' নাটকৰ ভাষা সম্পৰ্কে লিখা।

(খ) 'ধম্মপদ'ক নৈতিক জ্ঞানৰ গ্ৰন্থৰূপে বিচাৰ কৰা।

(গ) অৱহট্‌ঠ ভাষাৰ বিশেষত্ব লিখা।

(ঘ) 'শকুন্তলা' নাটকৰ আধাৰত তৎকালীন সমাজ-ব্যৱস্থাৰ বিষয়ে লিখা।

৪। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) প্ৰাকৃত শব্দৰ তাৎপৰ্য কি? সাহিত্যিক প্ৰাকৃত বুলিলে কি বুজা? সেইবোৰৰ ভিতৰত শ্ৰেষ্ঠ সাহিত্যিক প্ৰাকৃতটোৰ বৈশিষ্ট্যসমূহ লিখা।

(খ) সট্টক কাক বোলে? 'কৰ্পূৰমঞ্জৰী'ক সট্টকৰূপে প্ৰতিপন্ন কৰিব পাৰি নে নোৱাৰি, নিজৰ যুক্তিৰে বিচাৰ কৰা।





(গ) "'সন্দেশ-ৰাসক' এখন শৃংগাৰাত্মক গীতিকাব্য।" তোমাৰ পাঠ্যপুথিৰ আধাৰত উক্তিটোৰ যথাৰ্থতা বিচাৰ কৰা।

(ঘ) পালি সাহিত্য সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(ঙ) মধ্য ভাৰতীয় আৰ্য ভাষাৰ স্তৰ বিভাজন কৰি প্ৰতিটো স্তৰৰ ভাষিক বৈশিষ্ট্যবোৰ লিখা।

★★★

# 2019

## ASSAMESE

( Major )

Paper : 5.5

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×৭=৭

(ক) ৰসবাদৰ মুখ্য প্ৰৱক্তা কোন?

(খ) কাব্যৰ ক্ষেত্ৰত ৰস অপৰিহাৰ্য বুলি কোনে প্ৰথমে প্ৰকাশ কৰিছিল?

(গ) "সকলো মহৎ সাহিত্যই ধ্ৰুপদী সাহিত্য।" কথাষাৰ শুদ্ধনে?

(ঘ) অসমীয়া ভাষাত ৰমণ্যাসবাদ শব্দটো প্ৰথমে কোনে ব্যৱহাৰ কৰিছিল?

(ঙ) "উৎকৃষ্ট শব্দৰ সুবিন্যাসেই কবিতা।" কোনে কৈছিল?

(চ) নাটক শব্দটোৰ মূল কি?

(ছ) উপন্যাসক 'পকেট থিয়েটাৰ' বুলি কোনে মন্তব্য কৰিছিল?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) ৰস সম্পৰ্কে দিয়া ভৰতৰ সূত্ৰটো কি?

(খ) ধ্ৰুপদী সাহিত্যৰ দুটা বৈশিষ্ট্য লিখা।

(গ) চৰিত্ৰপ্ৰধান নাটক কাক বোলে? এখন উদাহৰণ দিয়া।

(ঘ) চুটিগল্পৰ দুটা বৈশিষ্ট্য লিখা।

৩। (ক) ভৰতৰ মতে ৰস কেইটা আৰু কি কি? প্ৰতিটো ৰসৰ বিষয়ে আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) বিভাৱ, অনুভাৱ আৰু সঞ্চাৰী ভাৱ কাক বোলে, বহলাই লিখা। সঞ্চাৰী ভাৱক কিয় ব্যভিচাৰী ভাৱ বুলি কোৱা হয়? ৩+৩+৩+১=১০

৪। (ক) আধুনিকতাবাদ বুলিলে কি বুজা? ৰমণ্যাসবাদৰ লগত আধুনিকতাবাদৰ পাৰ্থক্য বিচাৰ কৰি এটি আলোচনা আগবঢ়োৱা। ২+৮=১০

*অথবা*

(খ) কাহিনীগীত বা মালিতা কাক বোলে? ইয়াৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰি এটি নিবন্ধ যুগুত কৰা। ২+৮=১০

৫। (ক) এৰিষ্ট'টলে দিয়া ট্ৰেজেদীৰ সংজ্ঞাটো উল্লেখ কৰি ট্ৰেজেদীৰ বিষয়ে আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) যি কোনো এটি অসমীয়া চুটিগল্পৰ আধাৰত চুটিগল্পৰ ইংগিতময়তা সম্পৰ্কে এটি বিশ্লেষণ আগবঢ়োৱা। ১০





৬। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) স্থায়ীভাৱ

(খ) ধ্ৰুৱবাদ

(গ) মহাকাব্য

(ঘ) নাটকীয় ঐক্য

(ঙ) উপন্যাস আৰু চুটিগল্পৰ পাৰ্থক্য

(চ) অসমীয়া জীৱনীমূলক উপন্যাস

★★★

# 2019

## ASSAMESE

### ( Major )

Paper : 5.6

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা (যি কোনো সাতটা) : ১×৭=৭

(ক) ভাৰতত কেইটা ভাষা-পৰিয়ালৰ ভাষা প্ৰচলিত হৈ আছে?

(খ) 'অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ' শীৰ্ষক গ্ৰন্থখনৰ লিখক কোন?

(গ) আৰবী ভাষা কোনটো ভাষা-পৰিয়ালৰ অন্তৰ্গত?

(ঘ) য়াংছিকিয়াং আৰু হোৱাংহো নদীৰ উৎপত্তিস্থলক কোনটো ভাষা-পৰিয়ালৰ লোকৰ আদিম বাসস্থান আছিল বুলি অনুমান কৰা হৈছে?

(ঙ) "ইয়াৰ দ্বাৰা এইটো প্ৰমাণিত হয় যে ভাষাৰ কোনো জাতিৰ লগত সম্পৰ্ক নাই। ভাষা জন্মগত বা আনুবংশিক নহয়। সি পৰিৱেশৰ অধীন।" উল্লিখিত উক্তিটো কোনে আগবঢ়াইছে?

(চ) ব্যক্তি বিশেষে ভাষাৰ যি ভিন্নৰূপ পোৱা যায় তাক কি বোলে ?

(ছ) এখন ৰাজ্যত এটাতকৈ অধিক সাধুভাষা থাকিব পাৰেনে ?

(জ) 'এছপিৰেণ্টো' নামৰ কৃত্ৰিম আন্তঃৰাষ্ট্ৰীয় ভাষাটোৰ জন্ম কোন চনত হৈছিল ?

(ঝ) টকি-টকি (Taki-Taki) নামৰ ক্ৰেওলীয় ভাষাটো ক'ত প্ৰচলিত ?

২। চমু উত্তৰ লিখা (যি কোনো **চাৰিটা**) : ২×৪=৮

(ক) উপভাষা এটাৰ 'পাটোই (Patois)' অৱস্থা মানে কি বুজা ?

(খ) ভাষাৰ কোন দুটা বৰ্গীকৰণক অধিক বিজ্ঞানসম্মত বুলি মানি লোৱা হয় ?

(গ) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ দুটা ধ্বনিগত বৈশিষ্ট্য লিখা।

(ঘ) "Language is a social institution" ভাষা সম্পৰ্কীয় এই উক্তিটোৰ তাৎপৰ্য লিখা।

(ঙ) ভাষাৰ ধ্বনি পৰিৱৰ্তনৰ দুটা কাৰণ উল্লেখ কৰা।

(চ) কোন দুটা ভাষাৰ সংমিশ্ৰণত চিনুক (Chinook) মিশ্ৰ ভাষাটো গঢ় লৈ উঠিছিল ?





৩। চমু টোকা লিখা (যি কোনো **তিনিটা**) : ৫×৩=১৫

(ক) ভাষাৰ পাৰিবাৰিক বৰ্গীকৰণত ৰূপ আৰু বাক্যৰচনাৰ গুৰুত্ব

(খ) ভাষাৰ শব্দভাণ্ডাৰ গঠনত নিৰ্দিষ্ট সংস্কৃতিৰ প্ৰভাৱ

(গ) ৰাষ্ট্ৰভাষা নিৰ্বাচনৰ জটিলতা

(ঘ) কৃত্ৰিম আন্তঃৰাষ্ট্ৰীয় ভাষা

(ঙ) মনোভাষাবিজ্ঞান

৪। (ক) ভাষাৰ বৰ্গীকৰণ বুলিলে কি বুজা ? আকৃতিমূলক বৰ্গীকৰণ সম্পৰ্কে বিতংকৈ লিখা। ৩+৭=১০

*অথবা*

(খ) পৃথিৱীৰ ভাষা-পৰিয়ালৰ চমু পৰিচয় দাঙি ধৰি ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ অন্তৰ্গত 'ভাৰতীয় আৰ্য ভাষা' সম্পৰ্কে চমুকৈ আলোচনা কৰা। ৩+৭=১০

৫। (ক) "ভাষা আৰু সংস্কৃতিৰ ইটোৰ সৈতে সিটোৰ সম্পৰ্ক নাই যদিও কাৰ্যতঃ দুয়োৰে মাজৰ সম্পৰ্ক ঘন।" কথাষাৰৰ যুক্তি-যুক্ততা বিচাৰ কৰি ভাষা আৰু সংস্কৃতিৰ মাজৰ সম্পৰ্ক ফঁহিয়াই দেখুওৱা। ২+৮=১০

*অথবা*

(খ) মিশ্ৰ ভাষা বুলিলে কি বুজা ? পৃথিৱীৰ চাৰিটা প্ৰধান মিশ্ৰভাষাৰ বিষয়ে আলোচনা কৰা। ২+৮=১০

৬। (ক) অসমীয়া ভাষাৰ ধ্বনি পৰিৱৰ্তনৰ ক্ষেত্ৰত আৰ্যভিন্ন ভাষাৰ প্ৰভাৱ সম্পৰ্কে বহলাই আলোচনা কৰা। ১০

*অথবা*

(খ) তলত দিয়া ধ্বনি পৰিৱৰ্তনৰ দিশসমূহৰ পৰা যি কোনো চাৰিটাৰ বিষয়ে চমুকৈ লিখা : $২\frac{১}{২}\times ৪=১০$

ব্যঞ্জন সমীভৱন ; মহাপ্ৰাণীভৱন ; স্বৰাগম ; অপিনিহিতি ; সঘোষীভৱন ; স্বৰভক্তি।

* * *